# 2025

## ASSAMESE

Paper : ASS0400304

( অসমীয়া লিপিৰ পৰিচয় )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions*

১। কেৱল উত্তৰটো লিখা : ১×৮=৮

(ক) এটা মাত্ৰ চিহ্নই একাধিক ধ্বনিক প্ৰতিনিধিত্ব কৰা লিপিটোৰ নাম কি ?

(খ) ভাৰতবৰ্ষত ব্ৰাহ্মীলিপি কোন শতিকাৰ পৰা ব্যৱহৃত হোৱাৰ প্ৰমাণ পোৱা গৈছে ?

(গ) কোন ৰাজবংশই পোনপ্ৰথম ব্ৰাহ্মীলিপিৰে সংস্কৃত ভাষা লিখিছিল ?

(ঘ) লিপিৰ বিষয়ে লিখা প্ৰথম অসমীয়া গ্ৰন্থখন কি ?

(ঙ) ১৯৫৫ চনত অসমত উদ্ধাৰ হোৱা শিলালিপিখন কি ?

(চ) ১৯১২ চনত উদ্ধাৰ হোৱা ভাস্কৰ বৰ্মাৰ তাম্ৰশাসনখনক কি নাম দিয়া হৈছে ?

(ছ) *The Evolution of Assamese Script* গ্ৰন্থখনৰ লেখক কোন?

(জ) অসমীয়া লিপিত প্ৰথম ছপাকৰা গ্ৰন্থখন কোন চনত প্ৰকাশ পাইছিল?

২। যি কোনো ছয়টা প্ৰশ্নৰ উত্তৰ লিখা : ২×৬=১২

(ক) ভাৱধ্বনিলিপি কি? ভাৰতবৰ্ষৰ কোন লিপিয়ে ইয়াৰ নিদৰ্শন দাঙি ধৰে?

(খ) খৰোষ্ঠীলিপি ভাৰতবৰ্ষৰ কোন জনগোষ্ঠীয়ে ব্যৱহাৰ কৰিছিল? ইৰানী ভাষাত এই লিপিৰ ব্যাখ্যা কেনেদৰে কৰা হৈছে?

(গ) ব্ৰাহ্মীলিপিৰ কোনটো যুগক স্বৰ্ণযুগ আখ্যা দিয়া হৈছে? এই সময়ত প্ৰাধান্য লাভ কৰা ভাষাটো কি?

(ঘ) বৰগঙ্গা লিপিখন কোন শতিকাৰ? ইয়াত কোন ৰজাৰ উল্লেখ পোৱা গৈছে?

(ঙ) ভাস্কৰ বৰ্মাৰ ডুবি তাম্ৰশাসনখনত কেইখন ফলক আছিল? এই শাসনখন কাক প্ৰদান কৰা হৈছিল?

(চ) নগাজৰী খনিকৰ গাঁৱৰ লিপিখন কিমান চনত উদ্ধাৰ হৈছিল? ই অসমৰ কোন জিলাত অৱস্থিত?

(ছ) কানাই বৰশী বোৱা শিলালিপিখন কোন চনত আবিষ্কাৰ হৈছিল? ইয়াত উল্লেখ থকা যুদ্ধখনৰ সময় কিমান?





(জ) আহোমসকলে লিখা হাতে লিখা পুথিৰ লিপি কি নামেৰে পৰিচিত? এওঁলোকে তাম্ৰশাসনত লিখা নিজা আখৰক কি নামেৰে উল্লেখ কৰিছে?

(ঝ) পুৰণি অসমীয়া হাতে লিখা পুথিত 'লেখক' আৰু 'লিখক' অভিধা দুটিৰে কাক বুজোৱা হয়?

(ঞ) অসমীয়া হাতে লিখা পুথিৰ লিপিক কাইথেলী, বামুনীয়া আৰু গড়গঞা শৈলীত শ্ৰেণীবিভাজন কৰা ব্যক্তিগৰাকী কোন আছিল? তেওঁ কোনখন গ্ৰন্থত এই শ্ৰেণীবিভাজনৰ উল্লেখ কৰিছে?

৩। চমুকৈ আলোচনা কৰা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) সুৰেন্দ্ৰ বৰ্মাৰ উমাচল লিপি আৰু ইয়াৰ ভাষা

(খ) কানাই বৰশী বোৱা লিপি আৰু ইয়াৰ ৰাজনৈতিক গুৰুত্ব

(গ) অশোককালীন ব্ৰাহ্মীলিপি আৰু ইয়াৰ ভাষা

(ঘ) অসমৰ হাতে লিখা পুথি আৰু ইয়াৰ বৈশিষ্ট্য

(ঙ) ভাস্কৰ বৰ্মাৰ ডুবি তাম্ৰশাসন আৰু ইয়াৰ বিষয়বস্তু

(চ) ধৰ্ম পুস্তক আৰু ইয়াৰ আখৰ

(ছ) সাঁচিপাত আৰু তুলাপাতৰ প্ৰস্তুত পদ্ধতি

(জ) ভাৰতবৰ্ষৰ শাৰদা আৰু শ্ৰীহৰ্ষলিপিৰ পৰিচয়

৪। বহলাই আলোচনা কৰা (যি কোনো দুটা) : ১০×২=২০

(ক) লিপিৰ স্বৰূপ ব্যাখ্যা কৰা আৰু ইয়াৰ বিকাশৰ স্তৰসমূহ উল্লেখ কৰি এটি আলোচনা যুগুত কৰা।

(খ) ভাৰতত বহুল প্ৰচলিত আটাইতকৈ প্ৰাচীন লিপিটো কি? ইয়াৰ স্তৰসমূহ দেখুৱাই প্ৰতিটো স্তৰৰ বিষয়ে একোটি পৰিচয় দাঙি ধৰা।

(গ) অসমীয়া লিপিৰ উদ্ভৱ আৰু বিকাশ সম্বন্ধে এটি নিবন্ধ যুগুত কৰা।

(ঘ) অসমীয়া হাতে লিখা পুথিৰ লিখন সামগ্ৰী আৰু লেখন কলাৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(ঙ) অসমত লিপিচৰ্চাৰ ইতিহাস সমন্ধে এটি নিবন্ধ যুগুত কৰা।

★★★